দেৱগাঁও এন আৰ চি সেৱা কেন্দ্রত এখন্তেক

অভিজ্ঞতা ‖ অমৃত কুমাৰ ঠাকুৰ

সম্প্রতি সমগ্র অসমতে এন আৰ চিৰ আবেদন-পত্র জমা দিয়াৰ প্রক্রিয়া আৰম্ভ হৈছে। তাৰ বাবে চৰকাৰৰ তৰফৰ পৰা আবেদন-পত্রসমূহ বিনামূলীয়াকৈ পৰিয়ালে পৰিয়ালে যোগান ধৰা হৈছে। আবেদন-পত্রবোৰ জমা দিয়াৰ শেষ তাৰিখ ৩১ জুলাই ধাৰ্য কৰা হৈছে। কেইদিনমান আগেয়ে গুৱাহাটীৰ বাসিন্দা এজনে তেওঁলোকৰ ফৰ্মবোৰ ১৭ ছেপ্টেম্বৰৰ দিনাহে জমা ল'ব বুলি ফোনেৰে জনালে। সেইদিনা আকৌ বিশ্বকর্মা পূজা। কথাষাৰ শুনি ধাৰণা হ'ল শেষ তাৰিখৰ সময়সীমা বৃদ্ধি পাইছে। যাহওক, এই কামত সহযোগিতা কৰিবলৈ মোৰ স্থায়ী ঠিকনা মানে দেৱগাঁৱলৈ গৈ প্র-পত্রবোৰ জমা দিয়াৰ চিন্তা কৰিলোঁ। সেই উদ্দেশ্যে অফিচৰ পৰা ছুটী লৈ যোৱা ৭ জুলাইৰ দিনা দেৱগাঁৱৰ এন আৰ চি সেৱা কেন্দ্রত পুৱা গৈ উপস্থিত হ'লোঁগৈ। সেইদিনাৰ গতিবিধি দেখি ধাৰণা হ'ল জনসাধাৰণৰ ভিৰ তুলনামূলকভাৱে কিছু কম। এই গতিত প্র-পত্রবোৰ জমা হ'বলৈ হ'লে সময়মতে সকলো প্র-পত্র জমা হ'বগৈ বুলি মনে নধৰে। যাহওক মোৰ আবেদন-পত্রখন উলিয়াই প্রয়োজনীয় পৰীক্ষাৰ বাবে এল আৰ চি আৰ, অর্থাৎ লোকেল ৰেজিষ্টাৰ অৱ চিটিজেন ৰেজিষ্টাৰজনক দিলোঁ। মোৰ আবেদনখন চাই থাউকতে সকলো ঠিক আছে বুলি জানিবলৈ দিলে আৰু উক্ত প্র-পত্রৰ জমা কপীটো নিবলৈ এসপ্তাহমান পাছত আহিবলৈ ক'লে। কিন্তু সেই কামটোৰ কাৰণে গুৱাহাটীৰ পৰা এনেকৈ দুবাৰ অহাটো অসুবিধাজনক বুলি ভোৱাত তপৰাই মাত লগালোঁ— 'নাই নোৱাৰিম। আপুনি গুৱাহাটীৰ পৰাই আহক বা দিল্লী, মুম্বাইৰ পৰাই আহক। মই এইবোৰ (ইতিমধ্যে মেবিয়াই নুবা কৰি থোৱা দুটামান বাণ্ডিল দেখুৱাই) আবেদন নিতো গ্রহণ কৰি আছোঁ আৰু এই সকলোকে তাৰিখ অনুযায়ী জমাপ্রাপ্তিৰ ৰচিদখন নিবলৈ পুনৰ আহিবলৈ কৈছোঁ। গতিকে আপোনাৰ কাৰণে মই তাৰিখ সলাব নোৱাৰোঁ। মানে আপোনাৰখন আগতীয়াকৈ জমা কৰি প্রাপ্তিস্বীকাৰ কৰিব নোৱাৰোঁ।' মন কৰিবলগীয়া কথা যে ফৰ্ম এখন তেওঁক জমা দিয়াৰ বাবদ তেওঁ কোনো প্রাপ্তিস্বীকাৰো কৰি নিদিয়ে। এনে ব্যৱস্থাত কাৰোবাৰ ফৰ্ম এখন হেৰালে পুনৰ অযথা হাবাশাস্তি খোৱাৰ প্রচুৰ সম্ভাৱনা নোহোৱা নহয়।

আপোনাকনো আবেদন-পত্রৰ বাবে সুবীয়া তাৰিখ দিবলৈ কোনে কৰ্তৃত্ব দিছে আৰু লগে লগে প্রাপ্তিস্বীকাৰ কৰাত অসুবিধা কি বুলি সোধাত জনালে— মোৰ ইয়াত ছামাৰী এবষ্ট্রেক্ট নাই। যোৱা শনিবাৰে কেইখনমানহে পঠিয়াই দিছে। তদুপৰি আমি ইয়াত বহুতো অসুবিধাৰ মাজেৰে কাম কৰিব লগা হৈছে। মানে আমি দুজন এল আৰ চি আৰৰ মাজত এটাহে মোহৰ। এজনে ব্যবহাৰ কৰাৰ মাজতে আকৌ উঠি গৈ আনি কাম চলাব লগা হয়। মোহৰটোৰ আকাৰ আকৌ পেডটোতকৈ অলপ ডাঙৰ। চৰকাৰে যোগান ধৰা পেডটোত সম্পূর্ণকৈ নোসোমায়। আনহাতে, এবাৰেই চৰকাৰৰ তৰফৰ পৰা বিনামূলীয়াকৈ দুহাজাৰ ফৰ্ম আহিল। গতিকে সকলো পৰিয়ালে ফৰ্মবোৰ এতিয়াও পোৱা নাই। ফৰ্মবোৰ ফটোকপী কৰি পুৰালেও হয় যদিও এচামে বিনামূলীয়াকৈ ফৰ্ম পাব আৰু আন এচামে টকা ভৰি ফটোকপী কৰিব, কিয়? আনহাতে ইতিমধ্যে যোগান ধৰা কম্পিউটাৰবোৰ বৰ দুর্বল। স্কেনাৰ মেচিনবোৰ ইমানেই দুর্বল যে এবাৰত দহখনৰ অধিক ল'ড কৰিব নোৱাৰি। এই অসুবিধাবোৰ বাইজৰে বহুজনক জনাইছোঁ যদিও কোনোৱেই এই সম্পর্কে উপযুক্ত কর্তৃপক্ষক আজি পর্যন্ত অভিযোগ দিয়া নাই। গতিকে সুবিধা চাইহে কামৰ ব্যৱস্থা কৰা হৈছে।'

কর্মচাৰীজনৰ উত্তৰত সন্তুষ্ট নহৈ এই কামৰ মুখ্য দায়িত্বত কোন আছে বুলি প্রশ্ন কৰোঁতে বৰা উপাধিৰ এজনৰ ম'বাইল ফোন নম্বৰ এটা দিলেহি। লগে লগে তেওঁলৈ ফোনেৰে যোগাযোগ কৰি মোৰ অসুবিধাৰ কথাটো অৱগত কৰিলোঁ। তদুপৰি কি কাৰণতনো এল আৰ চি আৰ দুজনৰ মাজত এটাহে মোহৰ যোগান ধৰা হৈছে বুলি প্রশ্ন কৰোঁতে ক'লে— মোহৰবোৰ বনাবলৈ দিয়া হৈছে আৰু দুই-এদিনতে পাব বুলি জনালে। আনহাতে, ছামাৰী এবষ্ট্রেক্টবোৰ যোগান কমকৈ পোৱাৰ কাৰণো জানিব বিচাৰিলোঁ। ইতিমধ্যে যোৱা শনিবাৰে কেইখনমান পঠিওৱা হৈছে আৰু আমালৈ যোগান পর্যাপ্ত হ'লেই পুনৰ যোগান ধৰা হ'ব বুলি জনালে। এনেকে কিছুসময় আলচ কৰাৰ পাছত কেন্দ্রটোৰ এল আৰ চি আৰজনক ফোনটো দিবলৈ কোৱাত মই ফোনটো তেওঁলৈ আগবঢ়াই দিলোঁ। কিছুসময় আলোচনা কৰাৰ পাছত কোনোমতে ছামাৰী এবষ্ট্রেক্টৰ কপী এটা যোগাৰ কৰি এল আৰ চি আৰজনক দিলোঁহি। এইবাৰ ক'লে— মোৰ হাতত মোহৰটো নাই। সেইটো কর্মচাৰী এজনে ঘৰলৈ লে গ'ল। (কামৰ হেঁচা বেছি কাৰণে ঘৰতো কামবোৰ কৰিছে।) ঘৰৰ পৰা আহি এতিয়াও পোৱাহি নাই। গতিকে কামটো সম্ভৱ নহ'ব। মোহৰ নিয়া মানুহজনৰ ম'বাইল নম্বৰটো বিচৰাত দিব নোৱাৰিলে আৰু তেওঁ এছ ডি চি কার্যালয়ত লটি মণ্ডলৰ কাম কৰে বুলি জানিব পাৰিলোঁ। পুনৰ এছ ডি চি কার্যালয়লৈ ঢাপলি মেলিলোঁ। উক্ত কার্যালয়লৈ আহি তেওঁক নিজৰ টেবুলত নাপাই এজনৰ

পৰা কোনোমতে ম'বাইল ফোনৰ নম্বৰটো সংগ্রহ কৰি ফোন কৰাত জানিব পাৰিলোঁ তেওঁ ইতিমধ্যে এন আৰ চি সেৱা কেন্দ্রত উপস্থিত হৈছেগৈ। 'মোহৰটো নিছেনে' বুলি সোধাত 'লগত আনিছোঁ' বুলি জনালে। পুনৰ এন আৰ চি সেৱা কেন্দ্রলৈ উভতি আহিলোঁ। তেওঁক লগ কৰি মোৰ যাৱতীয় কামখিনি কৰি আবেদন-পত্রখনৰ প্রাপ্তিস্বীকাৰ কৰোৱাই ঘৰলৈ বুলি ৰাওনা হ'লোঁ। কামটো একেদিনাই হ'ল যদিও বহু সময় অযথা ব্যয় কৰিব লগা হ'ল। এইখিনিতে মনলৈ কেইটামান প্রশ্ন আহিছে— (১) কেন্দ্রীয় চৰকাৰে যথোচিত টকা যোগান ধৰোঁতেও কামবোৰ যেনেভাৱে শৃংখলিত হ'ব লাগিছিল, তেনেদৰে হোৱা যেন অনুভৱ হোৱা নাই। ইয়াৰ কাৰণ কি? (২) জুলাই মাহৰ প্রথম সপ্তাহতো ছামাৰী এবষ্ট্রেক্টবোৰ পর্যাপ্তভাৱে এন আৰ চি সেৱা কেন্দ্রলৈ যোগান ধৰিব নোৱাৰাৰ কাৰণ কি? যাৰ কাৰণে আবেদনকাৰীবোৰে একেটা কামৰ কাৰণে দুবাৰকৈ অযথা সময়, অর্থ আৰু শ্রম ব্যয় কৰি আহিব লগা হৈছে। (৩) যিসকলৰ পৰিয়ালত কেৱল বৃদ্ধসকলহে আছে বা কগীয়া লোক আছে বা আৰ-তাৰ হতুৱাই কাম কৰিব লগা হৈছে, তেনেবোৰ পৰিয়ালৰ বাবে ই এক গাস্তিদায়ক ব্যৱস্থা নহয়নে? (৪) এই কামৰ পৰা কোনোমতে ম'বাইল ফোনৰ নম্বৰটো সংগ্রহ কৰি ফোন কৰাত জানিব পাৰিলোঁ তেওঁ ইতিমধ্যে এন আৰ চি সেৱা কেন্দ্রত উপস্থিত হৈছেগৈ। 'মোহৰটো নিছেনে' বুলি সোধাত 'লগত আনিছোঁ' বুলি জনালে। পুনৰ এন আৰ চি সেৱা কেন্দ্রলৈ উভতি আহিলোঁ। তেওঁক লগ কৰি মোৰ যাৱতীয় কামখিনি কৰি আবেদন-পত্রখনৰ প্রাপ্তিস্বীকাৰ কৰোৱাই ঘৰলৈ বুলি ৰাওনা হ'লোঁ। কামটো একেদিনাই হ'ল যদিও বহু সময় অযথা ব্যয় কৰিব লগা হ'ল। এইখিনিতে মনলৈ কেইটামান প্রশ্ন আহিছে— (১) কেন্দ্রীয় চৰকাৰে যথোচিত টকা যোগান ধৰোঁতেও কামবোৰ যেনেভাৱে শৃংখলিত হ'ব লাগিছিল, তেনেদৰে হোৱা যেন অনুভৱ হোৱা নাই। ইয়াৰ কাৰণ কি? (২) জুলাই মাহৰ প্রথম সপ্তাহতো ছামাৰী এবষ্ট্রেক্টবোৰ পর্যাপ্তভাৱে এন আৰ চি সেৱা কেন্দ্রলৈ যোগান ধৰিব নোৱাৰাৰ কাৰণ কি? যাৰ কাৰণে আবেদনকাৰীবোৰে একেটা কামৰ কাৰণে দুবাৰকৈ অযথা সময়, অর্থ আৰু শ্রম ব্যয় কৰি আহিব লগা হৈছে। (৩) যিসকলৰ পৰিয়ালত কেৱল বৃদ্ধসকলহে আছে বা কগীয়া লোক আছে বা আৰ-তাৰ হতুৱাই কাম কৰিব লগা হৈছে, তেনেবোৰ পৰিয়ালৰ বাবে ই এক গাস্তিদায়ক ব্যৱস্থা নহয়নে? (৪) এই কামৰ বাবে ফৰ্মবোৰ বাইজক বিনামূলীয়াকৈ যোগান ধৰিবলৈ এন আৰ চি সেৱা কেন্দ্রবোৰলৈ যথোচিত যোগান ধৰিব পৰা নাই কিয়? (৫) এই কামৰ বাবে যোগান ধৰা কম্পিউটাৰবোৰ সঁচাই দুর্বল নেকি? যদি দুর্বল, তেনেহ'লে সেইবোৰ যোগান ধৰা হৈছে কিয়? (৬) ইমান ব্যাপক কাম এটাৰ কাৰণে দুর্বল স্কেনাৰ মেচিনবোৰ যোগান ধৰা হৈছে কিয়? (৭) ইতিমধ্যে নেটৰ জৰিয়তেও ফৰ্ম জমা কৰাৰ সুবিধা প্রদান কৰা হৈছে। কিন্তু সেই ব্যবস্থাতো বিসংগতিয়ে দেখা দিছে। আৰু যদি নেটযোগে জমা কৰাৰ সুবিধা দিবই পাৰে, তেনেহ'লে সেই চিন্তা আৰম্ভণিতে কৰা নহ'ল কিয়? কাৰণ ইতিমধ্যে বহু লোকে শাৰী পাতি থিয় হৈ অযথা কষ্ট ভোগ কৰিব লগা হ'ল। (৮) বিভিন্ন উৎসৰ বাতৰি অনুসৰি আজিও বিভিন্ন ঠাইত ফৰ্ম জমা দিবলৈ বাতিৰে পৰা লাইনত শাৰী পাতি থাকিব লগা হৈছে। কেৱল মহিলা থকা পৰিয়ালবোৰৰ বাবে এনে ব্যৱস্থাই অসুবিধাৰ সৃষ্টি নকৰিবনে? ই এক চৰকাৰী ব্যৱস্থা হ'ব পাৰেনে? (৯) এনে কামৰ বাবে দিনে দুটামানকৈ খেপ সৃষ্টি কৰি কিছুসংখ্যক লোক নিয়োগ কৰা হ'লেই বাইজৰ অনাহক কষ্ট বহুখিনি লাঘৱ হ'লহেঁতেন। সেই চিন্তাৰ পৰা বিৰত থকাৰ কাৰণ কি? (১০) এই অসুবিধাবোৰ আঁতৰাব নোৱাৰাৰ কিবা কাৰণ থাকিব পাৰেনে?

এনে অবস্থাৰ পৰিপ্রেক্ষিতত আমি বিভাগীয় কর্তৃপক্ষক অনুৰোধ কৰিব খোজো যে এন আৰ চিক'লে যেন কোনো লা-কা-মেলিৰ খেল নহয়। কাৰণ এই কামৰ কাৰণে পৰিয়ালবোৰে ফটো তোলা, ফটোকপী কৰা, লিংগোটা আটা টাঙিওৱা আদি কামৰ বাবে বহুখিনি শ্রম, অর্থ আৰু সময় ব্যয় কৰিব লগা হৈছে। হয়তো বহু প্রয়োজনীয় কাম বাদ দি এই কামক অগ্রাধিকাৰ দিব লগা হৈছে। গতিকে যিমানখিনি পৰা যায় সিমানখিনি অসুবিধা আঁতৰাবলৈ কর্তৃপক্ষ তৎপৰ হোৱা উচিত। আনহাতে চৰকাৰৰ তৰফৰ পৰাও প্রয়োজনীয় বস্তুবোৰ যোগান ধৰাত কাণিচা হোৱা অনুচিত বুলি ভাবোঁ। দেৱগাঁৱৰ মানুহৰ আন এটা অভিযোগ হৈছে— এই কামৰ কাৰণে নিভাগীয় বিষয়াসকল সদায় ১৩ বজাত উপস্থিত নহয়। যাৰ কাৰণে বহুতেই অযথা বহু সময় ব্যয় কৰিব লগা হয়। সময়ৰ এনে অপব্যয় বোধ কৰিবলৈ নিভাগীয় কর্মচাৰীসকল নিয়মানুবর্তী হোৱাৰ লগতে আৰু কেইজনমান অতিৰিক্ত লোক নিয়োগ কৰিব পাৰি নেকি, এই বিষয়ে বিবেচনা কৰি চাব পাৰে। কর্মচাৰীসকল সময়ত নাহিলে কম্পিউটাৰৰ লোককেইজনো অনাহক সময় ব্যয় কৰি বহি থাকিব লাগে। এই সকলোবোৰ বিষয় কর্তৃপক্ষই বিবেচনা কৰি যথোচিত ব্যৱস্থা হাতত ল'লে বাইজৰ উপকাৰত আহিব।

লেখকৰ ফোন ঃ ৯৪৩৫৩-৪৬৭৭২